জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৯/২০২১

# খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৮ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি ৰাজ্যখনৰ ধান ক্ৰয় বৃদ্ধি তথা ৰাজ্যখনৰ কৃষকলৈ ন্যূনতম সমৰ্থিত মূল্য নিশ্চিত কৰাৰ বিভিন্ন বিষয় বিতংভাৱে আলোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে বিভাগক ৰাজ্যখনৰ কৃষকৰ পৰা ধান ক্ৰয় বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়াৰ উপৰি এই ক্ৰয় বৃদ্ধিৰ বাবে অসম ৰাজ্যিক কৃষি বিপণন পৰিষদলৈ অধিক পুঁজি প্ৰদানৰ দিশতো আলোচনা কৰে যাতে ৰাজ্যখনৰ প্ৰয়োজনীয় প্ৰায় ২ মেট্ৰিকটনৰ ধানৰ চাহিদাৰ ব্যৱধান নিজৰ উৎপাদনৰ পৰাই লাভ কৰিবলৈ সক্ষম হয়।

মুখ্যমন্ত্ৰীয়ে লগতে ধাননি পথাৰৰ সৈতে ধান বনা কল স্থাপনৰ বিষয়টোৰ ওপৰতো গুৰুত্ব আৰোপ কৰাৰ লগতে স্থানীয় উদ্যোগীসকলক তেওঁলোকৰ সংশ্লিষ্ট এলেকাত ধান বনা কল স্থাপনৰ দিশত উদগণি যোগাবলৈও পৰামৰ্শ আগবঢ়ায় যাতে কৃষকসকলে নিজৰ ধান বনাৰ বাবে অধিক দূৰত্বলৈ মিল বিচাৰি যাব নালাগে। বৈঠকত ভাৰতীয় খাদ্য নিগমৰ বিষয়ববীয়াসকলে কয় যে তেওঁলোকৰ সংস্থাই ধানত জলীয়বাষ্প থকা অথবা নথকাৰ দিশতোৰ ওপৰত কঠোৰ নিৰ্দেশাৱলী অনুসৰণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° শৰ্মাই খাদ্য আৰু অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগক ধান ক্ৰয় কেন্দ্ৰসমূহৰ ওচৰত ড্ৰায়াৰ যন্ত্ৰ স্থাপনৰ পদক্ষেপ গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰে যাতে ধানত থকা জলীয়বাষ্প সহজেই নিষ্কাষণ কৰি ইয়াক উন্নত মানৰ কৰিব পৰা যায়।

আজিৰ এই বৈঠকত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ প্ৰধান সচিব বি আৰ চামাল, ভাৰতীয় খাদ্য নিগমৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ**
**২৮/০৫/২০২১**